# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-March-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থী তালিকা প্ৰকাশ। কেবিনেট মন্ত্ৰীকে ধৰি কেইবাগৰাকীও বিধায়কৰ প্ৰাৰ্থিত্ব কৰ্তন।

২।  বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যৰ বিভিন্ন সমষ্টিত আজিও বিভিন্ন প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলৰ সম্ভাৱনা।

৩।  ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত নিৰ্বাচন সূচাৰুৰূপে পৰিচালনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনৰ নিৰাপত্তা ব্যৱস্থা ক`টকটীয়া।

৪।  শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত বিশেষ ফাষ্ট ট্ৰেক আদালতত আজি পুনৰ শুনানি।

*আৰু*

৫।  দেশৰ অনান্য প্ৰান্তৰ লগতে কাইলৈ অসমতো ঈদল-ফিতৰ পালন।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। শাসনাধিষ্ঠিত বিজেপিয়ে কালি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। অৱশ্যে এই তালিকাত বৰ্তমানৰ কেবিনেট মন্ত্ৰী তথা হাফলঙৰ বিধায়ক নন্দিতা গাৰ্লোচা, অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মোমনিকে ধৰি ১৯ জন বিজেপি বিধায়কৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই।

এই তালিকা অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ ড° ৰাজদীপ ৰয়ে শিলচৰৰ পৰা,  ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা,  বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা আৰু বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব।

বিজেপিত নতুনকৈ যোগদান কৰা প্ৰদ্যুৎ বৰদলৈয়ে দিছপুৰ সমষ্টিত, নিউ গুৱাহাটীত দীপ্লুৰঞ্জন শৰ্মা, মধ্য গুৱাহাটীত বিজয় কুমাৰ গুপ্তা, ৰঙিয়াত ভবেশ কলিতা, নলবাৰীত জয়ন্ত মল্ল বৰুৱা, জাগীৰোডত পীযূষ হাজৰিকা, মৰিগাঁৱত ৰমাকান্ত দেউৰী, নগাঁও বটদ্ৰৱাত ৰূপক শৰ্মা, নদুৱাৰত পদ্ম হাজৰিকা, মঙলদৈত নীলিমা দেৱী, বিহপুৰীয়াত ভূপেন বৰা, লখিমপুৰত মানৱ ডেকা, ঢকুৱাখনাত নৱ কুমাৰ দলে, ধেমাজিত ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত প্ৰশান্ত ফুকন, টিংখঙত বিমল বৰা, নাহৰকটীয়াত তৰংগ গগৈ, ডিমৌত সুশান্ত বৰগোহাঁই, মাজুলীত ভূবন গাম, যোৰহাটত হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী, গোলাঘাটত অজন্তা নেওগ, খুমটাইত মৃণাল শইকীয়া, সৰুপথাৰত বিশ্বজিৎ ফুকন, ৰংখাঙত তুলিৰাম ৰংহাং, লক্ষীপুৰত কৌশিক ৰায়, পাথাৰকান্দিত কৃষ্ণেন্দু পাল, কাটিগড়াত কমলাক্ষ দে পুৰকায়স্থক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

ইপিনে, অসম গণ পৰিষদ দলেও ২৬টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। এই তালিকাত অৱশ্যে দলটোৰ বৰ্তমানৰ ৯ গৰাকী বিধায়কৰ ৫ গৰাকী বিধায়কেহে পুনৰ প্ৰাৰ্থিত্ব লাভ কৰিছে। তালিকা অনুসৰি বোকাখাত

সমষ্টিত অতুল বৰা, কলিয়াবৰত কেশৱ মহন্ত, বঙাইগাঁৱত দিপ্তীময়ী চৌধুৰী, বৰপেটাত দীপক কুমাৰ দাস, টীয়কত বিকাশ শইকীয়া, ডিমৰীয়াত ডঃ তপন দাস, তেজপুৰত পৃথ্বীৰাজ ৰাভা, বজালীত ধৰ্মেশ্বৰ ৰয়, হাজো-শুৱালকুছিত প্ৰকাশ চন্দ্ৰ দাস, শিৱসাগৰত প্ৰদীপ হাজৰিকা, নাওবৈচাত বসন্ত দাস, বিলাসীপাৰাত জীৱেশ ৰায়, সোণাইত কৰিমুদ্দিন বৰভূঞা, দক্ষিণ কৰিমগঞ্জত ইকবাল হুছেইন, মানকাচৰত জাবেদ ইছলাম, পূব-গোৱালপাৰাত আব্দুল ৰহিম জিব্ৰান, আলগাপুৰ-কাটলিচাৰাত জাকিৰ হুছেইন লস্কৰ, বিন্নাকান্দিত চাহাবুদ্দিন মজুমদাৰ, ৰূপহীহাটত জাকিৰ হুছেইন ফাৰাজি, সৃজনগ্ৰামত ছাহিদুল ইছলাম, লাহৰীঘাটত খলিলুল ৰহমান, চেঙাত ছাদ্দাম হুছেইন, পকাবেটবাৰীত ডঃ তাৰাপ্ৰসাদ দাস, চমৰীয়াত নুৰুল ইছলাম, জলেশ্বৰত আবুশ্বাহ চৌদি হুছেইন আৰু গৌৰীপুৰ সমষ্টিত মহতেবুল হকক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইফালে, কংগ্ৰেছ দলে কালি প্ৰকাশ কৰা তৃতীয়খন প্ৰাৰ্থী তালিকাত মুঠ ২২টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ইয়াৰে কোকৰাঝাৰত মাণিক চন্দ্ৰ ব্ৰহ্ম, বাওখুংগ্ৰিত চপালি মাৰাক, পৰ্বতঝোৰাত মহম্মদ আশ্ৰাফুল ইছলাম শ্বেইখ, ধুবুৰীত বেবি বেগম, জলেশ্বৰত আফতাবউদ্দিন মোল্লা, অভয়াপুৰীত প্ৰদীপ সৰকাৰ, ছিদলী-চিৰাঙত মতিলাল নাৰ্জাৰী, চেঙাত আব্দুৰ ৰহিম আহমেদ, পকাবেতবাৰীত জাকিৰ হুছেইন শিকদাৰ, বাক্সাত জগদীশ মদাহী, তামুলপুৰত ৰাফেল দৈমাৰী, ওডালগুৰিত সুৰেন দৈমাৰী, লাহৰীঘাটত ডাঃ আছিফ মহম্মদ নাজাৰ, নগাঁও-বটদ্ৰৱাত ডাঃ দুৰ্লভ চমুৱা, নদুৱাৰত সুনীল ছেত্ৰী, ৰঙানদীত জয়ন্ত খাউণ্ড, লখিমপুৰত ঘন বুঢ়াগোহাঁই, ঢকুৱাখনাত আনন্দ নৰহ, মাকুমত শিৱনাথ চেতিয়া, খুমটাইত ৰোজলীনা তিৰ্কি, হাওৰাঘাটত সঞ্জীৱ তেৰন আৰু আলগাপুৰ-কাটলিচেৰা সমষ্টিত জুবেয়াৰ আনম মজুমদাৰক প্ৰাৰ্থিত্ব দিয়া হৈছে।

এ আই ইউ ডি এফেও কালি ছজনীয়া প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। ইয়াৰে জলেশ্বৰ সমষ্টিত শ্বেইখ ছাহ আলম, বীৰসিং-জাৰোৱাত আলী আকবৰ মিঞা, মানকাচৰত আব্দুল চালাম শ্বাহ, ভৱানীপুৰ-সৰভোগত ফৰহাদ আলী, সোণাইত মিনাৰ হুছেইন মাজাৰ ভূঞা আৰু উত্তৰ-কৰিমগঞ্জ সমষ্টিত চৌধুৰী হিববুৰ ৰছুল ওছামা মাবুৰুৰক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইউ পি পি এলেও কালি ৫ জন প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে। দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে এখন সংবাদমেলত প্ৰকাশ কৰা মতে বাউখুংগ্ৰী সমষ্টিত ইউ পি পি এলৰ মহিলা গোটৰ কেন্দ্ৰীয় সভানেত্ৰী প্ৰতিভা ব্ৰহ্ম, পৰ্বতঝোৰা সমষ্টিত আয়ুব হুছেইন মণ্ডল, চিদলী সমষ্টিত প্ৰাক্তন পাৰিষদ ৰঞ্জিত বসুমতাৰী, গোৰেশ্বৰত পবিত্ৰ বড়ো আৰু মাজবাটত ৰবীন্দ্ৰ বসুমতাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে আজি বিভিন্ন প্ৰাৰ্থীয়ে নিজ নিজ সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি জালুকবাৰী সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰিব। ইফালে কালি ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত সাতটা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰা হয়। ইয়াৰ ভিতৰত ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিৰ পৰা তিনিগৰাকী প্ৰাৰ্থীয়ে দুখনকৈ মনোনয়নপত্ৰ দাখিল কৰাৰ ফলত মুঠ মনোনয়ন পত্ৰৰ সংখ্যা ১০ হয়। ইয়াৰে মন্দিয়া, কমলপুৰ, বোকাখাট, ডিফু, দক্ষিণ কৰিমগঞ্জ সমষ্টিত এখনকৈ আৰু ৰূপহীহাট, যোৰহাট আৰু বোকাখাট সমষ্টিত দুখনকৈ মনোনয়ন পত্ৰ দাখিল কৰা হয়। উল্লেখযোগ্য যে, অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিল অন্তিম দিন।

০০০০০০

ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। গোৱালপাৰা জিলা আৰক্ষীয়েও জিলাখনত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। গোৱালপাৰা জিলাত মুঠ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে যদিও ইয়াৰে ৭২ টা অসম-মেঘালয় সীমান্ত অঞ্চলত আছে। ইয়াৰে জলেশ্বৰ সমষ্টিৰ তিনিটা, গোৱালপাৰা পশ্চিম সমষ্টিৰ ৩৩টা আৰু দুধনৈ সমষ্টিৰ ৩৬ টা

ভোটগ্ৰহণ কেন্দ্ৰ অসম-মেঘালয় সীমান্তৰ দুৰ্গম অঞ্চলত অৱস্থিত। আনহাতে ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলত ৪৮ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে জলেশ্বৰ সমষ্টিৰ ৩৭ টা আৰু গোৱালপাৰা পূব সমষ্টিৰ ১১ টা ভোটগ্ৰহণ কেন্দ্ৰ নৈপৰীয়া তথা দুৰ্গম চৰাঞ্চলত অৱস্থিত। এনে ভোটগ্ৰহণ কেন্দ্ৰ থকা অঞ্চলসমূহত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। স্থলপথৰ লগতে জলপথসমূহতো আৰক্ষীয়ে যন্ত্ৰচালিত নাৱেৰে পহৰাৰ ব্যৱস্থা কৰিছে। জিলাখনৰ নিৰাপত্তা ব্যৱস্থা সন্দৰ্ভত জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই এইদৰে কয়,

(বাইট)

০০০০০০

নিৰ্বাচনী স্বচ্ছতা নিশ্চিত কৰিবলৈ যোৰহাট নিৰ্বাচনী জিলাৰ তিতাবৰ আৰু মৰিয়নি বিধানসভা সমষ্টিত বিভিন্ন প্ৰান্তত জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। নিৰ্বাচনী আঁচৰণবিধি বলৱৎ কৰাৰ উদ্দেশ্যে সমষ্টি দুটাৰ কৌশলগত স্থানসমূহত বিভিন্ন নিৰীক্ষণ গোট মোটায়েন কৰা হৈছে। এই গোটসমূহে মৰিয়নি আৰু তিতাবৰ বিধানসভা সমষ্টিৰ সীমান্তৱৰ্তী অঞ্চল তথা গুৰুত্বপূৰ্ণ স্থানসমূহত নিয়মীয়া তালাচী অভিযান তীব্ৰতৰ কৰি তোলাৰ বাতৰি আহিছে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল, ডিব্ৰুগড় আৰু খোৱাং বিধানসভা সমষ্টিৰ বাবে সাধাৰণ পৰ্যৱেক্ষকৰূপে নিয়োজিত টি এন ভেংকতেশে কালি কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। ইয়াৰ ভিতৰত কানৈ মহাবিদ্যালয়, কানৈ মহাবিদ্যালয় পশ্চিম, লালচন্দ কানৈ মহাবিদ্যালয় প্ৰেক্ষাগৃহ, গংগাপাৰা প্ৰাথমিক বিদ্যালয়- পূব আৰু পশ্চিম, সাগৰস্মৃতি বিদ্যামন্দিৰ মধ্য ইংৰাজী বিদ্যালয়- পূব আৰু পশ্চিম আদি অন্যতম। পৰিদৰ্শন কালত বিষয়াগৰাকীক আন কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াই সংগ দিয়ে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত দৈনন্দিন বিচাৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে বাক্সাৰ জিলা ন্যায়াধীশ হিচাপে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মিলা ভূঞাক মনোনিত কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই নিৰ্ণায়ক পদক্ষেপে ন্যায়িক প্ৰক্ৰিয়াক ত্বৰান্বিত কৰি যথোচিত ন্যায় সুনিশ্চিত কৰিব বুলি আশা কৰা হৈছে। এতিয়াৰে পৰা গোচৰটোৰ দৈনিক শুনানি অনুষ্ঠিত হ'ব বুলি ড০ শৰ্মাই কয়।

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত কালিৰে পাৰ অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰু সন্দৰ্ভত শুনানি অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে নিয়োগ কৰা বিশেষ লোক অধিবক্তাৰ দলে অভিযুক্তসকলৰ ওপৰত আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰে। আজি পুনৰ এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। ইপিনে অভিযুক্ত সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই এই গোচৰৰ পৰা ৰেহাই বিচাৰি আদালতত আবেদন দাখিল কৰিছে। এই আবেদন সন্দৰ্ভতো আজি শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই গোচৰৰ যাৱতীয় নথিপত্ৰ লাভ নকৰা বুলি কালি আদালতত আবেদন দাখিল কৰে। কিন্তু নথিপত্ৰ পৰীক্ষণৰ বাবে পূৰ্বে যথেষ্ট সময় দিয়াৰ পৰিপ্ৰেক্ষিতত আদালতে অভিযুক্ত মহন্তৰ অধিবক্তাৰ আবেদনখন খাৰিজ কৰে।

০০০০০০

পৱিত্ৰ ৰমজান মাহৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে কাইলৈ ঈদল ফিটৰ পালন কৰিব। কেন্দ্ৰীয় হিলাল কমিটীয়ে এই কথা ঘোষণা কৰিছে। কমিটীৰ অসমৰ সভাপতি মৌলানা শ্বেইখ ফখৰুউদ্দিন আহমদ কাছিমী আৰু সম্পাদক প্ৰধান আলহাজ ইমদাদ হুছেইনে এক বিজ্ঞপ্তি যোগে কয়, যে কাইলৈ ভাৰতবৰ্ষৰ লগতে অসমতো ঈদ

পালন কৰা হ'ব। উল্লেখযোগ্য যে, ঈদল ফিটৰ উদযাপন উপলক্ষে ৰাজ্যৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক ব্যস্ততা পৰিলক্ষিত হৈছে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ধুবুৰী গোটৰ উদ্যোগত প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জীৱন আৰু সৃষ্টিক লৈ আয়োজিত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ কালি সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰাই মুকলি কৰা এই আলোচনা চক্ৰৰ লগতে দ্বাদশ বিশ্ববিদ্যালয় সপ্তাহৰো শুভাৰম্ভ কৰা হয়।

০০০০০০

ভাৰতৰ তনভি শৰ্মা, ঈশাৰাণী বৰুৱা আৰু মালৱীকা বানচোড়ে পেৰিচত চলি থকা অৰ্লিনছ্ মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলত তনভিয়ে সতীৰ্থ খেলুৱৈ অনমোল খাৰ্বক ২১-১৪, ২১-১৭ গেমত পৰাস্ত কৰে। ইপিনে ঈষাৰাণীয়ে কানাডাৰ খেলুৱৈ ৱেন য়ু ঝাঙৰ বিৰুদ্ধে ২১-১১, ১৪-২১, ২১-১৭ গেমত বিজয় অৰ্জন কৰে। প্ৰী-কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত মালৱীকাই মালয়েছিয়াৰ ৰং লিং চিঙক ২৪-২২, ২১-১৩ গেমত পৰাস্ত কৰে।

ইপিনে পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ অৰ্জুন মাদাঠিল ৰামচন্দ্ৰন আৰু হৰিহৰণ অমচাকাৰুননৰ যুটীটোৱে আলেকজেণ্ডাৰ দান আৰু আডাম প্ৰিংগলৰ যুটীটোক ২৬-২৪, ২১-১৪ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

অৱশ্যে পুৰুষৰ একক শাখাৰ প্ৰী-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আয়ুষ ছেট্টী জাপানৰ য়ুডাই অকিম'ট'ৰ বিৰুদ্ধে ২১-৯, ১৮-২১, ৯-২১ গেমত পৰাজিত হয়।

০০০০০০

অসম সাহিত্য সভাৰ লখিমপুৰ অধিৱেশনৰ আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি আৰু সাহিত্য সভাৰ হিতৈষী সভ্য জগতচন্দ্ৰ হাজৰিকা দেৱৰ কালি মৃত্যু হয়। তেওঁৰ মৃত্যুত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, প্ৰয়াত হাজৰিকাদেৱৰ প্ৰতি শ্ৰদ্ধা হিচাপে আজিৰ দিনটোত সভাৰ পতাকা যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়তে ধৰি সকলো আঞ্চলিক কাৰ্যালয়ত অৰ্ধনমিত হৈ থাকিব।

০০০০০০

## News Rev.

অসম বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ৮৮ টা সমষ্টিৰ বাবে কালি আনুষ্ঠানিকভাৱে প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। **অসমীয়া প্ৰতিদিন** কাকতৰ এই বাতৰিৰ শিৰোনাম- বিজেপিৰ প্ৰাৰ্থী তালিকাত ২৮ প্ৰাক্তন কংগ্ৰেছ। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা** কাকতে বিজেপিৰ ৮৮ জনীয়া প্ৰাৰ্থী তালিকাত ৩৪ নতুন মুখ শিৰোনামেৰে প্ৰকাশ কৰিছে। আন আন কাকতসমূহেও এই বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসম গণ পৰিষদেও কালি ২৬ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ বাতৰি **আমাৰ অসম, দ্য ছেণ্টিনেল** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনত জ্যেষ্ঠ নাগৰিক, দিব্যাংগ, ছাৰ্ভিছ ভোটাৰ আৰু নিৰ্বাচনী কৰ্তব্যত নিয়োজিত ভোটাৰসকলক ভোটদানৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্বাচন আয়োগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এয়া **অসমীয়া খবৰ** কাকতৰ বাতৰি।

মধ্য প্ৰাচ্যৰ যুদ্ধ, খাৰুৱা তেলৰ মুল্যবৃদ্ধি আৰু দেশৰ বিদেশী পুঁজিৰ বৰ্হিগমনৰ প্ৰভাৱত বম্বে শ্বেয়াৰ বজাৰত একেদিনাই বিনিয়োগকাৰীয়ে ১২ লাখ কোটি টকা লোকচানৰ সন্মুখীন হোৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত শীৰ্ষ স্থান দিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ফাষ্টট্ৰেক আদালত গঠন কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **দৈনিক অসম** কাকতৰ শিৰোনাম-ফাষ্টট্ৰেক আদালতৰ দায়িত্বত বাক্সাৰ জিলা ন্যায়াধীশ শৰ্মিষ্ঠা ভূঞা।

ইজৰাইলৰ এটা তেল শোধনাগাৰত ইৰাণে ক্ষেপনাস্ত্ৰৰে আক্ৰমণ কৰাৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে। বাতৰিটো **দৈনিক জনমভূমি** কাকততেও গুৰুত্ব দিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল আৰু মেঘালয়ৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**